# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-03-2024
**Time :** 1800 Hrs.

## *Assamese Evening Bulletin*

দেশৰ নিৰ্বাচন আয়োগে আজি অহা ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে অধিসূচনা জাৰি কৰে। এইটো পৰ্যায়ত ১৭ খন ৰাজ্য আৰু চাৰিখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ মুঠ ১০২ টা সংসদীয় সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। প্ৰথমটো পৰ্যায়ত তামিলনাডুৰ ৩৯ খন, ৰাজস্থানৰ ১২ খন, উত্তৰ প্ৰদেশৰ ৮খন, মধ্য প্ৰদেশৰ ছখন, উত্তৰাখণ্ড, অসম আৰু মহাৰাষ্ট্ৰৰ ৫ খনকৈ, বিহাৰৰ চাৰিখন, পশ্চিমবংগৰ তিনিখন, অৰুণাচল প্ৰদেশ, মণিপুৰ আৰু মেঘালয়ৰ দুখনকৈ আৰু ছত্তিশগড়, মিজোৰাম, নাগালেণ্ড, ছিকিম, ত্ৰিপুৰা, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু আৰু কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এখনকৈ আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব।

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ইচ্ছুক প্ৰাৰ্থীসকলে অহা ২৭ মাৰ্চ পৰ্যন্ত মনোনয়ন পত্ৰ দাখিল কৰিব লাগিব। ২৮ মাৰ্চত প্ৰথম পৰ্যায়ৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। এই পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব ৩০ মাৰ্চ। অৱশ্যে বিহাৰৰ ক্ষেত্ৰত ২৮ মাৰ্চ মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন ধাৰ্য কৰা হৈছে। ৰাজ্যখনত ৩০ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ বিপৰীতে মনোনয়ন প্ৰত্যাহাৰৰ শেষ দিন হ'ব ২ এপ্ৰিল।

অসমৰ নৱগঠিত কাজিৰঙা সমষ্টিৰ উপৰি শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট সমষ্টিত প্ৰথম পৰ্যায়ত নিৰ্বাচন হ'ব। দ্বিতীয় পৰ্যায়ত দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁৱত তথা তৃতীয় পৰ্যায়ত গুৱাহাটী, বৰপেটা, ধুবুৰী আৰু কোকৰাঝাৰত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি আয়োগৰ সূত্ৰই প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, সংশোধিত চূড়ান্ত ভোটদাতা তালিকা অনুসৰি ৰাজ্যখনত ২ কোটি ৪৩ লাখতকৈ অধিক ভোটদাতা আছে। ইয়াৰে ১ কোটি ২১ লাখ ৭৯ হাজাৰতকৈ অধিক পুৰুষ আৰু ১ কোটি ২১ লাখতকৈ অধিকক মহিলা ভোটদাতা। তদুপৰি ৪১৪ গৰাকী তৃতীয় লিংগৰ ভোটদাতা আছে। ৰাজ্যখনত ৪ লাখ ৩৫ হাজাৰতকৈ অধিক নতুন ভোটদাতা আছে। একেদৰে, ২ লাখ ৭২ হাজাৰতকৈ অধিক অশীতিপৰ ভোটদাতা থকা বুলি নিৰ্বাচন আয়োগৰ সূত্ৰত প্ৰকাশ পাইছে।

নিৰ্বাচন আয়োগে সমাগত নিৰ্বাচন শান্তিপূৰ্ণ, স্বচ্ছ আৰু নিকাকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিবলৈ প্ৰতিখন ৰাজ্যকে নিৰ্দেশ দিছে। ৰাজ্যিক নিৰ্বাচন আয়োগসমূহৰ নিৰ্দেশ অনুসৰি সংশ্লিষ্ট জিলাসমূহেও বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে। স্পৰ্শকাতৰ অঞ্চলসমূহত হ'ব পৰা যিকোনোধৰণৰ পৰিস্থিতিৰ মোকাবিলা কৰিবৰ বাবে পৰ্যাপ্ত পৰিমাণৰ কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী মোতায়েন কৰা হৈছে। জিলাসমূহত সমন্বিত নিয়ন্ত্ৰণ কক্ষও স্থাপন কৰা হৈছে। স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰসমূহত ৱেবকাষ্টিঙৰ ব্যৱস্থাও কৰা হৈছে।

0000000

————প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ লগে লগে অসমত এইটো পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ পূৰণৰ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। এইটো পৰ্যায়ত ৰাজ্যখনৰ কাজিৰঙা, শোণিতপুৰ, লখিমপুৰ, ডিব্ৰুগড় আৰু যোৰহাট লোকসভা সমষ্টিৰ বাবে অহা ১৯ এপ্ৰিলত ভোটগ্ৰহণ কৰা হ'ব। সমষ্টি পুনৰ নিৰ্ধাৰণৰ পাছত অসমত প্ৰথমবাৰৰ বাবে লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব। এইটো পৰ্যায়ত কেন্দ্ৰীয় মন্ত্ৰী তথা অসমৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল আৰু লোকসভাত কংগ্ৰেছৰ উপ-দলপতি গৌৰৱ গগৈকে ধৰি বহুকেইগৰাকী জ্যেষ্ঠ ৰাজনীতিকে

প্ৰতিদ্বন্দ্বিতা কৰিব। উল্লেখযোগ্য যে সংশ্লিষ্ট জিলা প্ৰশাসনসমূহে নিৰ্বাচনৰ দায়িত্বত নিয়োজিত হ'বলগীয়া প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰিছে।

০০০০০০০

————আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক সভাপতি ডাঃ ভবেন চৌধুৰীয়ে ৰাজ্যখনত বিৰোধীৰ মিত্ৰতা সন্দৰ্ভত কংগ্ৰেছ আৰু অসম জাতীয় পৰিষদক সমালোচনা কৰি দল দুটাৰ প্ৰাৰ্থীক বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ নকৰিবলৈ অসম কংগ্ৰেছক আহ্বান জনাইছে। অসম প্ৰদেশ কংগ্ৰেছ সমিতিৰ সভাপতি ভূপেন বৰাক ৰাজ্যখনত বিৰোধী পক্ষৰ মিত্ৰতা সন্দৰ্ভত স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনাই, বিৰোধী ঐক্যৰ স্বাৰ্থত আপে গুৱাহাটী সমষ্টিৰ প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰাৰ পাছতো কংগ্ৰেছ দলে এইক্ষেত্ৰত ইতিবাচক ভূমিকা গ্ৰহণ নকৰা বুলি তেওঁ নেতাগৰাকীক সমালোচনা কৰে। লগতে তেওঁ ২৪ ঘণ্টাৰ ভিতৰত বিৰোধী ঐক্যমঞ্চৰ ১৬টা দলৰ স্বাক্ষৰৰ সৈতে লোকসভাৰ প্ৰাৰ্থীৰ আনুষ্ঠানিক ঘোষণা পত্ৰ প্ৰকাশ কৰিবলৈ আহ্বান জনায়।

আনহাতে, প্ৰাৰ্থীত্ব ঘোষণাৰ পাছতে কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ এন ডি এৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে নিৰ্বাচনী প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। তেওঁ আজি ডিব্ৰুগড় লোকসভা সমষ্টিৰ অন্তৰ্গত তিনিচুকীয়া আৰু মাকুম বিধানসভা সমষ্টিৰ ৩ খনকৈ দলীয় সভাত মিলিত হয়। তেওঁ তিনিচুকীয়া জিলাত বিজেপিৰ বিভিন্ন মৰ্চাৰ সৈতে মত-বিনিময় কৰাৰ লগতে ডিব্ৰুগড় লোকসভা সমষ্টিৰ তিনিচুকীয়া জিলাত বিজেপিৰ ব্যৱস্থাপনা বিভাগৰ সৈতে আলোচনাত মিলিত হয়। নতুনকৈ গঠিত মাকুম বিধানসভা সমষ্টিত বিজেপিৰ কাৰ্যকৰ্তাসকলৰ সৈতেও তেওঁ বৈঠকত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত কেইবাগৰাকীও নেতাই বিজেপিত যোগদান কৰে। ইপিনে, কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে কাজিৰঙা লোকসভা সমষ্টিত প্ৰাৰ্থীত্ব লাভ কৰাৰ পাছত প্ৰথমবাৰৰ বাবে ৰোজলীনা তিৰ্কীয়ে গৃহজিলা গোলাঘাটৰ সৰুপথাৰত উপস্থিত হয়। ইয়াৰ পাছতে তেওঁ দলীয় কৰ্মীসকলৰ সৈতে নিৰ্বাচন সন্দৰ্ভত আলোচনাত মিলিত হয়।

একেদৰে, নগাঁও লোকসভা সমষ্টিত বিধায়ক ৰূপক শৰ্মাই বিজেপি প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ প্ৰচাৰ চলায়। বিজেপিৰ বটদ্ৰৱা মণ্ডলৰ উদ্যোগত অনুষ্ঠিত নিৰ্বাচনী সভাত বিধায়কগৰাকীয়ে কংগ্ৰেছ প্ৰাৰ্থী তথা সাংসদ প্ৰদ্যুৎ বৰদলৈক সমালোচনা কৰে।

আনহাতে, যোৰহাট জিলা আয়ুক্ত কাৰ্যালয়ত জিলা নিৰ্বাচনী বিষয়াৰ অধ্যক্ষতাত কালি নিৰ্বাচন সন্দৰ্ভত বিভিন্ন ৰাজনৈতিক দলৰ বিষয়ববীয়াৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। জিলা নিৰ্বাচন বিষয়াগৰাকীয়ে বিজেপি, কংগ্ৰেছ, অসম গণ পৰিষদ, চি পি আই(এম), এআইইউডিএফ আৰু আম আদমী দলৰ জিলা সমিতিৰ সভাপতি-সম্পাদক তথা প্ৰতিনিধিসকলৰ সৈতে নিৰ্বাচনৰ মনোনয়ন প্ৰক্ৰিয়া, ব্যয় নিৰীক্ষণ, আইন শৃংখলা অনুমতি সন্দৰ্ভত পুংখানুপুংখভাৱে আলোচনা কৰে। সভাত তেওঁ সকলো ৰাজনৈতিক দলকে নিৰ্বাচনী আচৰণ বিধি মানি চলিবলৈ আহ্বান জনায়।

০০০০০০০০

**সমাপ্ত**